**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-11-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন। এই উপ-নিৰ্বাচনত ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এন ডি এ, কংগ্ৰেছ আৰু বিপিএফৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত ভোটদাতাক আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী আৰু চিদলী আসনখনৰ বাবে ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। এন ডি এ মিত্ৰজোঁটৰ ভিতৰত বিজেপিয়ে ৩ খন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু ইউ পি পি এলে আন দুখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

ইফালে, ঝাৰখণ্ডত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰো আজি বিয়লি সামৰণি পৰিব। পৰহিলৈ ৰাজ্যখনৰ ৪৩টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ১৫ নৱেম্বৰৰ পৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ উদ্‌যাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস সমিতিসমূহৰ উদ্যোগত ৰাসৰ আখৰাকে ধৰি অন্যান্য প্ৰস্তুতি চলাই থকা হৈছে। মহানগৰীৰ ওদালবাক্ৰাত জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আয়োজন কৰা ৰাস মহোৎসৱত ১৫০টা মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ পালন কৰা হ'ব। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱৰ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ অন্যান্য অঞ্চলসমূহতো উৎসাহ উদ্দীপনাৰ সৃষ্টি হৈছে। মাজুলী জিলা প্ৰশাসনে ৰাসৰ সময়ত যাতে সমগ্ৰ মাজুলীতে শান্তি-শৃংখলা বৰ্তাই ৰাখি পৰা যায় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাস উপলক্ষে মাজুলীলৈ অহা পৰ্যটকসকলে যাতে সুন্দৰভাৱে মাজুলীত আহ-যাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনৰ চালকসকলক নীতি-নিয়ম মানি চলিবলৈ জিলা প্ৰশাসনে সকলোৰে প্ৰতি আহ্বান জনাইছে। ৰাস উপলক্ষে কালি মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখন সংবাদকৰ্মীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-পোহাৰৰ লগতে প্ৰতিঘৰৰ সন্মুখত মাটিৰ চাকি জ্বলাই আধ্যাত্মিক চেতনাৰে ৰাস উদযাপন কৰিবলৈ জিলা আয়ুক্তই মাজুলীবাসীৰ প্ৰতি আহ্বান জনায়। ৰাসৰ সময়ছোৱাত যাতে মাজুলীৰ কমলাবাৰী, অফলামুখ, দক্ষিণপাট ঘাটেৰে পুৱাৰে পৰা যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অহৰহৰ ফেৰী সেৱা চলি থাকে তাৰ বাবে জিলা প্ৰশাসনে সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিছে। তদুপৰি অফলাইন যোগেও ফেৰীৰ টিকট উপলব্ধ হোৱাৰ লগতে ইয়াৰ মূল্য স্বাভাৱিক কৰি ৰাখিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে।

জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ৰাস মহোৎসৱৰ পৰিচালনা সমিতিক ৰাস উদযাপনৰ সময়ত পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ নিৰ্দেশ দিছে। স্বচ্ছতা বজাই ৰখা তিনিখন ৰাস উদযাপন সমিতিক এইবাৰ জিলা প্ৰশাসনে স্বচ্ছতা বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ আৰু দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহনীয়া পৰম্পৰাই আকৰ্ষিত কৰি আহিছে।

উজনি অসমৰ ভালেমান ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিৱেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়।

০০০০০০০

ন্যায়াধীশ সঞ্জীৱ খান্নাই আজি দেশৰ ৫১ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত ন্যায়াধীশ খান্নাক গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। শ্ৰী খান্না ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ স্থলাভিষিক্ত হ'ব।

০০০০০০০

ডিব্ৰুগড় জিলা দণ্ডাধীশে আজি জিলাখনত কিছুমান স্বঘোষিত সংগঠনে স্থানীয় বন্ধ দিয়াৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা অনুসৰি জনসাধাৰণে যাতে এই বন্ধৰ সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন নহয় তাৰ বাবে আৰক্ষী আৰু জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

**সমাপ্ত**